# উপসংহাৰ

# উপসংহাৰ

আজিৰে পৰা কেইবা হাজাৰ বছৰৰ আগতে অসমলৈ আগমন ঘটা ৰাভা জনগোষ্ঠীৰ লোকসকল বৰ্তমান অসমীয়া জাতিসত্তাৰ এক অবিচ্ছেদ্য অংগ। সমীক্ষামতে ৰাভা জনগোষ্ঠীৰ লোকসকলক আঠটা উপঠালত বিভক্ত কৰা হৈছে। এনে আঠটা উপঠালসমূহৰ ভিতৰত কেৱল তিনিটা ঠালৰ মাজতহে নিজস্ব ভাষাৰ ব্যৱহাৰ আছে। মায়তৰি ঠাল, ইয়াৰ ভিতৰত অন্যতম। মায়তৰি ৰাভাসকলে চৰকাৰী কাম-কাজ তথা শিক্ষাৰ মাধ্যম আদিত অসমীয়া ভাষা ব্যৱহাৰ কৰিলেও দৈনন্দিন জীৱনত নিজস্ব মাতৃভাষা ব্যৱহাৰ কৰে। জয়ৰামকুচি অঞ্চলৰ মায়তৰি ৰাভাসকলে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা এই কথিত ৰূপটো 'জয়ৰামকুচি অঞ্চলৰ মায়তৰি ৰাভা ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন' শিৰোনামৰে এই গৱেষণা কাৰ্য সমাপন কৰা হৈছে। ভাষাটোক সৰ্বভাৰতীয় স্তৰত দাঙি ধৰাৰ প্ৰয়াসেৰে ভাষা গঠনৰ বিভিন্ন দিশ সম্পৰ্কে অধ্যয়নৰ প্ৰযত্ন কৰা হৈছে। এই বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰাৰ সুবিধাৰ্থে পাঁচটা অধ্যায়ত বিভাজন কৰা হৈছে। উল্লিখিত অধ্যায়সমূহৰ প্ৰতিটো বিষয়ৰ মূখ্য কথাবোৰক যত্ন সহকাৰে ফহিয়াই চাবলৈ চেষ্টা কৰা হৈছে।

অসমৰ জয়ৰামকুচি অঞ্চলৰ মায়তৰি ৰাভাসকল ভাষিক দিশৰ পৰা তিব্বত বৰ্মীয় (অসম বৰ্মীয় বড়ো) শাখাৰ অন্তৰ্গত। মায়তৰি ৰাভাসকলৰ বাসস্থান নামনি অসমৰ বিভিন্ন অঞ্চলত অৱস্থিত। একেখন অঞ্চলৰ দাঁতিকাষৰীয়া বিভিন্ন জাতি-উপজাতিৰ লগত তেওঁলোকে একেলগে বসবাস কৰে। এওঁলোকে দৈনন্দিন জীৱনত স্বজাতিৰ ভাষা ব্যৱহাৰ কৰে যদিও ওচৰচুবুৰীয়া অন্যান্য জাতি -উপজাতিৰ ভাষাৰ লগতো নিবিড় সম্পৰ্ক গঢ়ি তুলিছে।

ভাষা আৰু সংস্কৃতি সমাজখনৰ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। সেয়েহে ভাষা আৰু সংস্কৃতিৰ সম্পৰ্ক সমাজ এখনৰ লগত গভীৰ হয়। মায়তৰি ৰাভাসকলৰ সংস্কৃতি নিজস্ব সংস্কৃতি। মূলতঃ কৃষিজীৱী এই জনগোষ্ঠীৰ লোকসকলে বৰ্তমানেও কঠোৰ পৰিশ্ৰমেৰে দৈনন্দিন জীৱন অতিবাহিত কৰে। বছৰি ঋতু অনুযায়ী আয়োজন কৰা স্বকীয় পূজা-পাৰ্বন, নৃত্য-গীত ইত্যাদিৰ মাজেৰে তেওঁলোকৰ পৰিশ্ৰমী

জীৱনৰ বাস্তৱ প্ৰতিছবি প্ৰতিফলিত হয় আৰু লগতে অনাবিল আনন্দও উপভোগ কৰে। পৰম্পৰাগত কৃষ্টি-সংস্কৃতি জীয়াই ৰাখিও ওচৰ চুবুৰীয়া অঞ্চলৰ অন্যান্য জাতিৰ ভাষা কৃষ্টি-সংস্কৃতিৰ প্ৰতিও সমানে শ্ৰদ্ধাশীল। এনেদৰেই এই অঞ্চলটোৰ শান্তি আৰু সম্প্ৰীতিৰ এনাজৰী শক্তিশালী হৈ পৰিছে। বৰ্তমান অঞ্চলটোত জিলিকি থকা প্ৰাচীন দৌল গোবিন্দ মন্দিৰ আৰু প্ৰতিবছৰে উদ্‌যাপন কৰা বিশাল চড়ক পূজা, কালিপূজা আদিয়ে ইয়াৰ জীৱন্ত উদাহৰণ। অৱশ্যে অকল মায়তৰি লোকসকলেই যে অন্যান্য জাতিৰ সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল তেনে কথা নহয়, অন্যান্য জাতিৰ লোকেও মায়তৰি ৰাভাসকলৰ কৃষ্টি-সংস্কৃতি আদিৰ প্ৰতি সদ্‌ভাৱ প্ৰদৰ্শন কৰে। তেনে মিলা-মিছাৰ ফলতে অঞ্চলটোৰ সমাজ-সংস্কৃতিয়ে এক বৰ্ণিল ৰূপত গঢ় লৈ উঠিছে।

দ্বিতীয় অধ্যায় অৰ্থাৎ ধ্বনিতাত্ত্বিক দিশত অধ্যয়ন কৰি পাইছোঁ যে জয়মাৰকুচি অঞ্চলৰ মায়তৰি ৰাভাৰ কথিত ভাষাত মান্য অসমীয়াৰ দৰে স্বৰধ্বনি আৰু ব্যঞ্জণ ধ্বনি দুয়োটাই আছে। ৮ টা বিশিষ্ট স্বৰধ্বনিৰ ভিতৰত ৬ টা ধ্বনিয়ে অসমীয়া আদি আৰ্যভাৰতীয় ভাষাৰ লগত মিল আছে। বাকী / ই' / আৰু / উ' / বা / ঔ / ধ্বনি দুটা মায়তৰি ভাষাৰ স্বকীয় স্বৰধ্বনি। অৱশ্যে উচ্চাৰণৰ সময়ত ইহঁত দুটা / ই / আৰু / উ / ধ্বনিৰ দৰেই উচ্চাৰিত হয়। মায়তৰি ভাষাত বিশিষ্ট ব্যঞ্জক্তন ধ্বনিৰ সংখ্যা ২২ টা। এই ভাষাটোৰ ২২ টা ব্যঞ্জণ ধ্বনিৰ ভিতৰত / ঝ / / ঙ /, / হ / ৰ বাহিৰে বাকী সকলোবোৰ ধ্বনিৰ আদি, মধ্য আৰু অন্ত্যস্থানত প্ৰয়োগ পোৱা যায়। বাকী / ঝ / ধ্বনিৰ অন্ত্যস্থানত, / ঙ / ধ্বনিৰ আদিস্থানত আৰু / হ / ধ্বনিৰ অন্ত্যস্থানত প্ৰয়োগ নহয়, কিন্তু বাকী স্থানত হয়। সুৰীয়া ভাষা হিচাপে মায়তৰি ভাষাত উচ্চ, সম আৰু নিম্ন এই তিনিটা সুৰ পৰিলক্ষিত হয়। কথা কোৱাৰ এনে সুৰ অনুসৰিয়ে সমমাত্ৰাত পৰা শ্বাসাঘাত কেতিয়াবা আদ্যাক্ষৰত আৰু কেতিয়াবা অন্ত্যাক্ষৰত পৰা দেখা যায়। তিব্বতবৰ্মীয় অন্যান্য ভাষাৰ দৰে জয়ৰামকুচি অঞ্চলৰ মায়তৰি ৰাভা ভাষাত দ্বিস্বৰ, ত্ৰিস্বৰ, চতুঃস্বৰ আৰু সংযুক্ত ব্যঞ্জন প্ৰচুৰ প্ৰয়োগ আছে। সন্ধিৰ ক্ষেত্ৰতো মায়তৰি ভাষাত বদ্ধসন্ধি, বহিঃসন্ধি আৰু অন্তসন্ধিৰ প্ৰয়োগ আছে। অ,ই,উ,এ আদি মায়তৰি ভাষাৰ এক অক্ষৰ ধ্বনি। মায়তৰি ভাষাত অক্ষৰ যুক্তাক্ষৰ আৰু বদ্ধাক্ষৰ দুই প্ৰকাৰে পোৱা যায়। ধ্বনিতাত্ত্বিক ক্ষেত্ৰত মায়তৰি জনগোষ্ঠীৰ স্বকীয় ভাষাৰ সোঁত প্ৰবলভাৱে প্ৰবাহমান হৈ আছে। এয়াই ভাষাটোক সূকীয়া মৰ্যদা প্ৰদান কৰিছে।

ভাষা গঠনৰ বৃহত্তম কলেৰৰ ৰূপতাত্ত্বিক অধ্যায়ত ইয়াৰ প্ৰতিটো উপাদানৰ বিষয়ে যথাসম্ভৱ আলোচনা কৰা হৈছে। ভাষাটোৰ ৰূপতাত্ত্বিক বিশ্লেষণ কৰি দেখা গৈছে যে অসমীয়াৰ সৈতে কিছুমান বৈসাদৃশ্য আৰু তিব্বতবৰ্মীয় বড়োশাখাৰ অন্যান্য ভাষাৰ সৈতে সাদৃশ্য পৰিলক্ষিত হয়। মায়তৰি ভাষাত সৰ্গ চাৰিটা। সৰ্গ নিৰ্ণয়ৰ ৰীতি অন্যান্য ভাষাৰ দৰে প্ৰায় একে। অসমীয়াৰ দৰে মায়তৰি ভাষাতো মূলধাতু আৰু প্ৰাতিপাদিকৰ পিছত  সৰ্গ সংযোগ কৰি নতুন শব্দৰ সাধন কৰা হয়। মায়তৰি ভাষাত কাৰক আৰু শব্দ বিভক্তিৰ সংখ্যা সাতটা। অ,আ, 'ও, না', 'পেকে', 'না, নাকে', 'ইপাৰা, নিপাৰা', ই, নি, ইদিগি, নিদিগি আদি বিভক্তি চিনেৰে বিভিন্ন বাক্য গঠন কৰা হয়। কৰ্ম আৰু সম্প্ৰদান কাৰকত 'না' বিভক্তিৰ চিন ব্যৱহাৰ কৰা হয়। অসমীয়াৰ দৰে মায়তৰি ভাষাতো লিংগৰ সংখ্যা একে। এই ভাষাত প্ৰাণীবাচক শব্দৰ ক্ষেত্ৰৰহে লিংগভেদ কৰা হয়। মায়তৰি ভাষাত শব্দৰ আগত আৰু পিছত কিছুমান স্বতন্ত্ৰ শব্দ প্ৰয়োগ কৰি লিংগ নিৰ্ণয় কৰা হয়। তদুপৰি স্ত্ৰীপ্ৰত্যয় 'ঈ', 'আই', 'আ', 'ঙবা', 'ইলা', 'গিৰি' আদি সংযোগ কৰিও স্ত্ৰীলিংগবাচক ৰূপ নিৰ্ণয় কৰা হয়। মায়তৰি ভাষাত বচন দুটা একবচন আৰু বহুবচন। দ্বিবচনৰ ধাৰণা মায়তৰি ভাষাত থাকিলেও ইয়াৰ বহুল প্ৰয়োগ নাই। ৰং, তাং, বিজান আদি মায়তৰি ভাষাৰ বহুবচনাত্মক প্ৰত্যয়। অনুৰূপ বা যুৰীয়া শব্দ সংযোগৰ ফলতো মায়তৰি ভাষাত বহুবচনৰ ৰূপ নিৰ্ণয় কৰা হয়। মায়তৰি ভাষাতো ক্ৰিয়া দুবিধ আৰু কাল তিনিবিধ। মান্য অসমীয়া ভাষাৰ দৰে এই ভাষাতো ক্ৰিয়া আৰু কালৰ প্ৰচুৰ প্ৰয়োগ আছে।

চতুৰ্থ অধ্যায়ত মায়তৰি ভাষাৰ বাক্যৰ গাঁথনিক দিশ সম্পৰ্কে আলোচনা কৰা হৈছে। মায়তৰি ভাষাৰ বাক্যৰ গঠন ৰীতি অসমীয়াৰ লগত প্ৰায় একেই বুলিব পাৰি। অসমীয়াৰ দৰে এই ভাষাতো উদ্দেশ্য আৰু বিধেয়ৰ অনুৰূপ ভাগ কথিত আৰু লিখিত বাক্য, ক্ৰিয়াহীন বাক্য, ক্ৰিয়াযুক্ত বাক্য, সৰল বাক্য, জটিল বাক্য, সংযুক্ত বাক্য, এটা শব্দৰে গঠিত বাক্য, আংগিক বিভাজন, খণ্ড বাক্য আৰু জতুঁৱা খণ্ডবাক্যৰ প্ৰচুৰ ব্যৱহাৰ , উক্তিৰ ভিত্তিত বাক্যৰ প্ৰকাৰ, বিবৃতিমূলক, প্ৰত্যক্ষ উক্তি, পৰোক্ষ উক্তি, অৰ্থ বা ভাৱ অনুসৰি ভাৱবোধক, বৰ্ণনাত্মক, আজ্ঞাসূচক, প্ৰশ্নবোধক, বিস্ময়সূচক,সন্দেহসূচক, সম্বোধনবোধক, জোৰ বুজোৱা, স্বতঃমূলক, তুলনামূলক, সমিধানবোধক, অনুকাৰ শব্দ, সদৰ্থক, নঞৰ্থক বাক্য আদি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা হয়। বাক্যৰ নঞৰ্থক ভাৱ প্ৰকাশৰ বাবে ক্ৰিয়াৰ আগত 'নাই'

ৰূপৰ সলনি মায়তৰি ভাষাত ক্ৰিয়াৰ পিছত 'চা' আৰু ক্ৰিয়াৰ আগত 'তা' আদি যোগ কৰি নঞৰ্থক ভাৱ প্ৰকাশ কৰা হয়। এইটোৱে হ'ল মায়তৰি ভাষাৰ সূকীয়া বৈশিষ্ট্য। মায়তৰি ভাষাৰ আন এটা বৈশিষ্ট্য, হৈছে সুৰ-লহৰৰ ক্ষেত্ৰত থকা বৈশিষ্ট। সুৰৰ তাৰতম্যই সদায় শব্দৰ অৰ্থ পৰিৱৰ্তন কৰিব নোৱাৰে। এনে অৰ্থৰ পৰিৱৰ্তন সুৰ লহৰৰ বাবেই ঘটে।

পঞ্চম অধ্যায়টোত মায়তৰি ভাষাৰ শব্দ সম্ভাৰৰ বিষয়ে আলোচনা কৰা হৈছে। মায়তৰি ভাষাটো অসম তথা অসমৰ আশে-পাশে থকা বিভিন্ন আৰ্য আৰু অনাৰ্য্য ভাষাৰ বিবিধ উপাদানেৰে পৰিপুষ্ট। মায়তৰি ভাষাৰ শব্দৰ উৎস সম্পৰ্কে আলোচনা কৰি স্পষ্ট হৈছে যে এই জনগোষ্ঠীৰ, দৈনন্দিন জীৱনৰ ভাষাত তৎসম, অৰ্দ্ধতৎসম, স্বকীয় বা দেশী, ৰাভা বহিৰ্ভূত অন্যান্য জনজাতীয় শব্দ, বিদেশী আদি শব্দৰ ব্যৱহাৰ আছে। এনে বিভিন্ন উৎসৰ ভাষাৰ কেতবোৰ শব্দই বিকৃত আৰু অবিকৃত ৰূপত ভাষাটোত প্ৰৱেশ ঘটিছে। তেনেদৰে বিভিন্ন উৎসৰ পৰা গ্ৰহণ কৰা শব্দৰে মায়তৰি শব্দ সম্ভাৰ চহকী আৰু সমৃদ্ধিশালী হৈ পৰিলেও মায়তৰি জনগোষ্ঠীৰ লোকসকলৰ স্বকীয় ভাষাৰ শব্দবোৰেও দৈনন্দিন জীৱনৰ ভাষাত আত্মপ্ৰকাশ ঘটাত ভাষাটো ঐতিহাসিক গুণেৰে সমৃদ্ধিশালী হৈ পৰিছে। আধুনিক মায়তৰি ভাষাৰ পৰিপুষ্টিত বিশেষ ভাৱে অৰিহণা যোগাইছে ইংৰাজী আৰু ইউৰোপীয় ভাষাৰ শব্দৰাজিয়ে। শব্দতাত্ত্বিক বিশ্লেষণৰ দ্বাৰা দেখা গৈছে যে সমজাতীয় অন্যান্য ভাষাৰ লগতে অসমীয়া, কামৰূপী, বাংলা, হিন্দী, ইংৰাজী আদি ভাষাৰ সৰহভাগ শব্দ জয়ৰামকুচি অঞ্চলৰ মায়তৰি ভাষাত প্ৰচলিত হৈ আছে। এই অঞ্চলৰ মাতৃভাষা মায়তৰি ভাষাৰ লগত ৰাভা মান্যভাষা ৰংদানি ভাষাৰ এক ঐতিহাসিক সম্পৰ্ক আছে। মায়তৰি ভাষাৰ প্ৰবাহটো নামনি অসমৰ কেতবোৰ অঞ্চলত অৱস্থিত। ৰংদানি ৰাভা ভাষাটো ৰাভা জনগোষ্ঠীৰ মান্যভাষাৰ মৰ্য্যদা লাভ কৰাত মায়তৰি ভাষা এক কথিত ভাষা হিচাপে ব্যৱহাৰ হয়। ৰাভা জনগোষ্ঠীৰ মায়তৰি আৰু ৰংদানি ৰাভাসকল দাঁতিকাষৰীয়া অঞ্চলত বসবাস কৰা হেতুকে দুয়োটা ভাষাৰ মাজত স্পষ্ট পাৰস্পৰিক প্ৰভাৱ পৰা দেখা যায়। শব্দসম্ভাৰৰ এনে সাদৃশ্যই জয়ৰামকুচি অঞ্চলৰ মায়তৰি ভাষাৰ আৰু ৰংদানি, ভাষাৰ সৈতে নিকট সম্পৰ্কৰ কথা স্পষ্ট কৰি দিয়ে। এই ভাষাই প্ৰাচীন কালৰে পৰা জয়ৰামকুচি অঞ্চলৰ সামূহিক কাৰ্যপৰিচালনাৰ বাহনৰূপে থাকি অঞ্চলটোৰ আৱেগিক ঐক্য আৰু সংহতি ৰক্ষা কৰি আহিছে। সেয়ে এই ভাষাটো জয়ৰামকুচি অঞ্চলৰ মায়তৰি লোক সকলৰ

যুগমীয়া সম্পত্তি। সেয়ে এই বিষয়ত প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰি ভাষাটোক এটা সমৃদ্ধিশালী ভাষাৰূপে প্ৰতিষ্ঠা কৰাৰ থল আছে।

ভাষাটোৱে পৰিবৰ্ত্তনশীল সময়ৰ সন্মুখিন হৈ নৰ পৰিস্থিতিৰ সৈতে সুৰ মিলাইছে। নৰ উপাদানক নিজৰ সৈতে একাত্ম কৰি বিকাশৰ পথত আগবাঢ়িছে যদিও সমৃদ্ধিশালী ভাষাৰূপে প্ৰতিষ্ঠা হ'ব পৰা নাই। সেয়েহে শেষত আশা কৰা হৈছে যে, বিলুপ্তিৰ পিনে ধাৱমান হোৱা মায়তৰি ভাষাই পুণৰ নৰ সুৰযৰ নৰ আলোকেৰে উজলি উঠক, সৰ্বভাৰতীয় সাহিত্যৰ ইতিহাসত নিজস্ব ভেটি সুদৃঢ় কৰি তোলাৰ ক্ষেত্ৰত প্ৰেৰণা লাভ কৰক, সকলোৱে প্ৰেম-ভালপোৱা আৰু আস্থাৰে ভাষাটোক আকোঁৱালি লোৱাৰ পথ সুগম কৰি, নতুনৰ সতে সন্মুখীন হোৱাত শক্তি দিয়ক। সৃষ্টিকালৰে পৰা আমাৰ মাতৃভূমি যেনেদৰে যুগ যুগ ধৰি জল জল পট পট কৈ উজ্বলি আছে আৰু ঠিক তেনেদৰে মায়তৰি ৰাভাসকলৰ মাতৃভাষাও স্বকীয় বৈশিষ্ট্যৰে অক্ষুন্ন থাকি চিৰপ্ৰবাহমান হৈ জীয়াই থাকক।

**************